**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***
---------------------------

## *Headlines*

১। ভৰলুমুখৰ উৰণ সেতুখন আজি ৰাইজৰ বাবে মুকলি।

২। সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি।

৩। ৰে'ল মন্ত্ৰালয়ৰ উত্তৰ পূব সীমান্ত ৰে'লৱেৰ অধীনত কেইবাটাও ষ্টেচনত নতুনকৈ একাধিক ৰে'লগাড়ী ৰখাবলৈ পৰীক্ষামূলকভাৱে অনুমতি।

**আৰু**

৪। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড মুখামুখি।

০০০০০০০০

ভৰলমুখৰ উৰণ সেতুখন আজি উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ লগতে উৰণ সেতুখন অসম গণ পৰিষদ দলৰ নেতা প্ৰয়াত দীনেশ গোস্বামীৰ নামত উৎসৰ্গা কৰা হ'ব বুলি জানিবলৈ দিয়ে। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিব।

আনহাতে ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ কৰা উদ্যানৰ আৰু এটা অংশ আজি মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে আজি শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰিব আৰু পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যান সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰিব। সন্ধিয়া ৬ বজাত পাণবজাৰত আয়োজিত এই অনুষ্ঠনত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ইয়াৰ আগেয়ে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি চাৰে চাৰি বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বন বিভাগৰ বাবে ১৪৩খন নতুন বাহন মুকলি কৰিব। এই অনুষ্ঠানত বন, পৰিবেশ আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীও উপস্থিত থাকিব।

০০০০০০০০

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও আজি প্ৰদান কৰা হ'ব। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কালি ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে নৱনিযুক্ত বিষয়াসকলে যাতে নিৰ্বাচনৰ অভিজ্ঞতা লাভ কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি তেওঁলোকক সোনকালে নিযুক্তি

প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি সৰ্বশিক্ষাৰ পৰা নিয়মীয়াকৰণ হ'বলগীয়া শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া ১৫ মাৰ্চৰ পূৰ্বে সম্পূৰ্ণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

(বাইট)

আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনেও অংশগ্ৰহণ কৰিব।

00000000

সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে পৰস্পৰক আবিৰ সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আজি দ্বিতীয় ভৰদৌল উপলক্ষে পুৱাৰেপৰা অগণন লোকৰ সত্ৰ চৌহদলৈ আগমন ঘটিছে। পৰহিলৈ সত্ৰত সুঁৱেৰী পালন কৰা হ'ব। গোসাঁইৰ গাত ফাকু গুৰি ছটিয়াই সেৱা জনাবলৈ সত্ৰৰ চৌহদত প্ৰতিবছৰৰ দৰে এইবাৰো অগনন লোকৰ সমাগম হৈছে। বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। দৌল উৎসৱৰ আজি তৃতীয় দিনা নাম প্ৰসংগ আৰম্ভ হৈছে। মহাপূজাৰ পাছত সন্ধিয়া প্ৰভূক আবিৰ সনা হ'ব আৰু নিশাৰ ভাগলৈ ভক্তসকলে পৰস্পৰক ফাকু গুৰি সানিব।

(বাইট)

কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিৰেপৰা দৌল উৎসৱ উদযাপন কৰা হৈছে। দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে।

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত জেং ৰেং পাৰাত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১০১ সংখ্যক দৌল মহোৎসৱ উদযাপন কৰা হৈছে। জিলাখনৰ কদমগুৰিটো পাঁচদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। প্ৰভাত ফেৰী, পূজা অৰ্চনা, শাস্ত্ৰ পাঠ, হোমযজ্ঞকে ধৰি কেইবাটাও কাৰ্যসূচী সম্পন্ন হয়।

**ধুবুৰী** জিলাৰ সত্ৰশালৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শ্ৰীশ্ৰী ৰামৰাইকুঠী সত্ৰত আজি তৃতীয়দিনা দৌল উৎসৱ পালন কৰা হৈছে। দৌলৰ সুঁৱেৰী উপলক্ষে নাম-কীৰ্তনৰ পাছত মেলাৰ আয়োজন কৰা হৈছে। এই মেলালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া পশ্চিমবংগৰ বহুলোকৰ আগমন ঘটে। মেলাৰ শেষত গোসাঁইক ফুৰোৱা হ'ব। জিলাখনত কালি দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱৰ আয়োজন কৰা হয়। বৰাক উপত্যকাৰ জিলাকেইখনতো দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱ পালন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গোটেই নিশা গোসাঁইক

ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হয়। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয়া অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিৱেশন কৰা হয়।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত ফলগুৎসৱ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত কালি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। আজি মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে গুৱাহাটী মহানগৰীতো উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে কেবাখনো জিলাৰ প্ৰশাসনে আজি স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০০০০০

ৰাজ্যৰ ৰে'লযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল মন্ত্ৰালয়ে উত্তৰ পূব সীমান্ত ৰে'লৱেৰ অধীনত কেইবাটাও ষ্টেচনত নতুনকৈ একাধিক ৰে'লগাড়ী ৰখাবলৈ পৰীক্ষামূলকভাৱে অনুমতি প্ৰদান কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা দিল্লী-কামাখ্যা বহ্মপুত্ৰ মেইল টিহু ৰে'ল ষ্টেচনত ৰ'ব। একেদৰে কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছ অভয়াপুৰী ষ্টেচনত, নিউ জলপাইগুৰি-গুৱাহাটী বন্দে ভাৰত এক্সপ্ৰেছ বৰপেটা ৰোড ষ্টেচনত, কামাখ্যা-আনন্দবিহাৰ নৰ্থ ইষ্ট এক্সপ্ৰেছৰ লগতে তাম্বাৰম-শিলঘাট টাউন নগাঁও এক্সপ্ৰেছ বিজনী ষ্টেচনত ৰখোৱা হ'ব। একেদৰে কলকাতা-চিৰাং এক্সপ্ৰেছ চাপৰ ষ্টেচনত, ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ ডিফুত, নিউ তিনিচুকীয়া-অমৃতসৰ এক্সপ্ৰেছ দুলীয়াজানত, নিউ দিল্লী-গুৱাহাটী ৰাজধানী এক্সপ্ৰেছ ফৰকাটিঙত ৰ'ব। এই পদক্ষেপে ষ্টেচনকেইটাৰ সমীপৰ অঞ্চলৰসমূহৰ জনতাক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

তিনিগৰাকী সদস্যৰ অন্তৰ্ভুক্তিৰে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি কাৰ্যবাহী পৰিষদৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। সম্প্ৰতি পৰিষদত ১৪ গৰাকী সদস্য আছে। নতুনকৈ গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ মহেশ্বৰ বসুমতাৰী, নাগ্ৰীজুলিৰ লক্ষী দাস আৰু মনোনীত পৰিষদীয় সদস্য কৰ্মেশ্বৰ ৰয়ৰ অন্তৰ্ভুক্তিৰে পৰিষদৰ সদস্য সংখ্যা ১৭লৈ বৃদ্ধি কৰা হ'ব। তিনিও গৰাকী সদস্যই অহা ৬ বা ৭ মাৰ্চত কোকৰাঝাৰত শপত০গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

বিহালীৰ জিনজিয়া থানাৰ অন্তৰ্গত খেৰবাৰীত যোৱা নিশা হোৱা এটা দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। তীব্ৰবেগী এখন চাৰিচকীয়া বাহনে মটৰচাইকেল আৰোহী দুজনক খুন্দা মৰাৰ ফলত লোক দুজনৰ মৃত্যু ঘটে। তেওঁলোকৰ পৰিচয় এইবাতৰি যুগুতোৱাৰ পৰলৈ জানিব পৰা হোৱা নাই। ঘটনা সন্দৰ্ভত জিনজিয়া আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইত ভাৰত, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**